**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-09-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি নতুন দিল্লীৰ য়শোভূমিত চেমিকন ইণ্ডিয়া ২০২৫ৰ শুভাৰম্ভ কৰে।

২। ছিংগাপুৰৰ প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱং তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে আজি বিয়লি ভাৰতত উপস্থিত হ'ব।

৩। চতুৰ্দশ নাগালেণ্ড বিধানসভাৰ সপ্তদশ অধিবেশন আজিৰেপৰা আৰম্ভ হৈছে।

৪। জম্মু-কাশ্মীৰৰ বৈষ্ণো দেৱী যাত্ৰা একেৰাহে অষ্টম দিনৰ বাবে স্থগিত ৰখা হৈছে।

আৰু

৫। চুদানৰ পশ্চিম দাফুৰা অঞ্চলত সংঘটিত ভয়ংকৰ ভূমিস্খলনৰ ঘটনাত এহেজাৰতকৈও অধিক লোকৰ মৃত্যু হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি নতুন দিল্লীৰ য়শোভূমিত চেমিকন ইণ্ডিয়া ২০২৫ৰ শুভাৰম্ভ কৰে। ভাৰতৰ চেমিকন কণ্ডাক্টৰ পৰিবেশ তন্ত্ৰৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আৰম্ভ হোৱা তিনিদিনীয়া এই অধিবেশনখনে শক্তিশালী স্থিতিস্থাপক আৰু বহনক্ষম চেমিকন কণ্ডাক্টৰৰ লগতে পৰিবেশ তন্ত্ৰ অধিক উন্নত ধৰণে গঢ়ি তোলাৰ ওপৰত জোৰ দিব। অধিবেশনখনত চেমিকন ইণ্ডিয়া কাৰ্য প্ৰণালী, উন্নত পদ্ধতিৰ নিৰ্মাণ প্ৰণালী, গৱেষণাৰ ক্ষেত্ৰত নতুন উদ্ভাৱন আৰু বিকাশ তথা কৃত্ৰিম বুদ্ধিমত্তা, বিনিয়োগৰ সুযোগ, ৰাজ্যিক স্তৰত নীতি ব্যৱস্থাপনা আৰু আন বহুতো দিশ সামৰি লোৱা হ'ব। উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি বিভাগৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে ভাৰতে আৰম্ভ কৰা এই চেমিকণ্ডাক্টৰ অভিযানৰ বাবে এতিয়াৰেপৰা সমগ্ৰ পৃথিৱীয়ে ভাৰতক শক্তিশালী ৰূপত চিনি পাবলৈ সক্ষম হৈছে আৰু ভাৰতৰ ওপৰত থকা তেওঁলোকৰ বিশ্বাস ইয়াৰ জৰিয়তে বহু গুণে বৃদ্ধি পাইছে। তেওঁ লগতে উল্লেখ কৰে যে, পাঁচটা চেমিকণ্ডাক্টৰৰ নিৰ্মাণ কাৰ্য ইতিমধ্যে দেশৰ বিভিন্ন প্ৰান্তত ক্ষীপ্ৰভাৱে আৰম্ভ হৈছে। তেওঁ লগতে অনুষ্ঠানত উপস্থিত থকা দেশৰ প্ৰধানমন্ত্ৰীগৰাকীক ভাৰতত নিৰ্মিত প্ৰথমটো ইলেকট্ৰনিক চিপ প্ৰদান কৰে। দুটা নতুন নিৰ্মাণকাৰী বিভাগে এনেধৰণৰ চিপৰ উৎপাদন অনাগত কেইটামান মাহৰ ভিতৰতে আৰম্ভ কৰিব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০০

চতুৰ্দশ নাগালেণ্ড বিধানসভাৰ সপ্তদশ অধিবেশন আজিৰেপৰা আৰম্ভ হৈছে। অধিবেশনৰ শ্ৰদ্ধাঞ্জলি কাৰ্যসূচী হিচাপে মুখ্যমন্ত্ৰী নেইফিউৰিঅ'ই নাগালেণ্ডৰ পূৰ্বৰ ৰাজ্যপাল গনেছানৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিব আৰু বিধানসভাৰ অধ্যক্ষ শৰংগীন লংকুমাৰে পূৰ্বৰ সদস্য নুংগয়াপাঙৰ প্ৰতি শ্ৰদ্ধাঘ্য আগবঢ়াব। অধিবেশনৰ প্ৰথম দিনা নাগালেণ্ডৰ বিভিন্ন অঞ্চলত সংঘটিত ভুত প্ৰেত আদিৰ উপাসনাৰ দৰে কুসংস্কাৰ ৰোধ, নিবনুৱা সমস্যাৰ সৈতে জড়িত বিভিন্ন বিষয় উত্থাপন কৰা হ'ব।

০০০০০০০

বিশ্ব নাৰিকল দিৱস উপলক্ষে কেৰালাৰ নাৰিকল বোৰ্ডে নাৰিকলৰ কৃষকসকলৰ বাবে আগবঢ়োৱা আৰ্থিক অনুদান যথেষ্ট বৃদ্ধি কৰিছে। বোৰ্ডে জনোৱা মতে চলিত বৰ্ষত ২লাখ ৫০ হাজাৰ নাৰিকল গছৰ পুলি ৰোপন কৰা হৈছে আৰু ইয়াৰ বাবে কৃষকসকলক ৫০শতাংশ আৰ্থিক অনুদান আগবঢোৱা হৈছে। গছপুলিৰ বাবে থকা অনুদান বৰ্তমানৰ ৪টকাৰ পৰা ৪৫ টকালৈ বৃদ্ধি কৰা হৈছে। পুনৰ ৰোপণৰ বাবেও আৰ্থিক সহায় পূৰ্বৰ ৪০টকাৰ পৰা ৩৫০ টকালৈ বৃদ্ধি কৰা হৈছে। নাৰিকল প্ৰযুক্তি অভিযানৰ বাবেও আৰ্থিক অনুদান যথেষ্ট বৃদ্ধি কৰা হৈছে। উল্লেখযোগ্য যে নাৰিকল উদ্যোগৰ বিকাশ আৰু নাৰিকলৰ উপকাৰিতাৰ বিষয়ে সজাগতা সৃষ্টিৰ বাবে প্ৰতিবছৰে ২ ছেপ্টেম্বৰ দিনটো বিশ্ব নাৰিকল দিৱস হিচাপে পালন কৰি অহা হৈছে।

০০০০০০০

জম্মু-কাশ্মীৰৰ বৈষ্ণো দেৱী যাত্ৰা একেৰাহে অষ্টম দিনৰ বাবে স্থগিত ৰখা হৈছে। আমাৰ জম্মু সংবাদদাতাই জনোৱা মতে ত্ৰিকুটা পাহাৰৰ প্ৰতিকূল বতৰৰ বাবে এই যাত্ৰা স্থগিত ৰখা হৈছে। একেৰাহে দি থকা বৰষুণ আৰু তাৰ ফলত হোৱা ভূমিস্থলনে যাত্ৰাপথ সমূহ অসুৰক্ষিত কৰি তুলিছে। যাত্ৰীসকলৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে সকলো বৰ্তমান কোনো ধৰণৰ যাত্ৰা কৰাৰ বাবে অনুমতি দিয়া নাই। অৱশ্যে বৰষুণ আৰু ভূমিস্খলনৰ ফলত ক্ষতিগ্ৰস্ত বাট পথসমূহ পুনৰ মুকলি কৰাৰ বাবে প্ৰশাসনে সকলো ব্যৱস্থা কৰাৰ লগতে পৰিস্থিতি সুক্ষ্মভাবে নিৰীক্ষণ কৰি আছে। পৰিস্থিতি উন্নত নোহোৱালৈ আৰু প্ৰশাসনে অনুমতি নিদিয়ালৈ ভক্তসকলক প্ৰয়োজন নহ'লে কাট্ৰালৈ যাত্ৰা নকৰাৰ বাবে অনুৰোধ জনাইছে।

০০০০০০০

চুদানৰ পশ্চিম দাফুৰা অঞ্চলত সংঘটিত এটা ভয়ংকৰ ভূমিস্খলনৰ ঘটনাত এহেজাৰ জনতকৈও অধিক লোকৰ মৃত্যু হৈছে। অঞ্চলটোৰ পৰিচালনাৰ দায়িত্বত থকা এটা সংগঠনে জানিবলৈ দিয়া মতে এই ঘটনাত পাহাৰীয়া অঞ্চলটোত থকা একমাত্ৰ গাওঁখনৰ মাত্ৰ এজন জীৱিত ব্যক্তিৰ বাহিৰে সকলোবোৰ বাসিন্দাৰ ইতিমধ্যে মৃত্যু হৈছে। কেইবা দিন ধৰি মাৰা পৰ্বতাঞ্চলত হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত তাৰাচিন নামৰ এই গাওঁখনত হোৱা এই ঘটনাই গাওঁখনক ধ্বংসস্তুপত পৰিণত কৰিছে। অঞ্চলটোৰ সকলোবোৰ কাম-কাজ নিয়ন্ত্ৰণ কৰি থকা চুদান সংযুক্ত বাহিনীয়ে জানিবলৈ দিয়া মতে প্ৰাৰম্ভিক তথ্য মতে গাঁৱৰ বাসিন্দাসকলৰ হাজাৰ জনতকৈও অধিক লোকৰ মৃত্যু হৈছে। সংগঠনটোৱে টেঙা ফল উৎপাদনৰ বাবে পৰিচিত এই অঞ্চলটোৰ অৱস্থা উন্নত কৰাৰ বাবে সহায় আগবঢ়াবলৈ ৰাষ্ট্ৰসংঘ আৰু আন্তৰ্জাতিকভাবে পুঁজি আৱণ্টন দিয়া প্ৰতিষ্ঠানসমূহলৈ অনুৰোধ জনাইছে।

০০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসমৰ বিভিন্ন অঞ্চলৰ লগতে মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা আৰু অৰুণাচল প্ৰদেশত মুষলধাৰ বৰষুণ অব্যাহত থাকিব বুলি প্ৰকাশ কৰিছে। বিভাগে জম্মু-কাশ্মীৰ, লাডাখ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড, পঞ্জাৱ, হাৰিয়ানা, চণ্ডীগড় আৰু উত্তৰ প্ৰদেশৰ পশ্চিম অংশত আজিও ধাৰাসাৰ বৰষুণ হৈ থাকিব বুলি জানিবলৈ দিছে। বতৰৰ আগলি বতৰা অনুসৰি আজিৰে পৰা অহা ৪ দিনলৈ গুজৰাট, মহাৰাষ্ট্ৰৰ মধ্য অংশ, গোৱা, সৌৰাষ্ট্ৰ আৰু কচ্ছত বেছি পৰিমাণে বৰষুণ হ'ব। অহা ৪ আৰু ৫ ছেপ্টেম্বৰত সমগ্ৰ গুজৰাটৰ উপকূল অঞ্চলৰ লগতে লক্ষদ্বীপ আৰু গোৱাৰ উপকূলত সাগৰত মাছ মাৰিবলৈ নাযাবলৈ বিভাগে মাছমৰীয়া সকলৰ প্ৰতি পৰামৰ্শ আগবঢ়াইছে।

০০০০০০০

নতুন দিল্লীত অহা বছৰৰ আগষ্টত বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপছ অনুষ্ঠিত হ'ব। পেৰিছত অনুষ্ঠিত চলিত বৰ্ষৰ বিশ্ব বেডমিণ্টন চেম্পিয়নশ্বিপছৰ সামৰণি অনুষ্ঠানত কালি বেডমিণ্টন ৱৰ্ল্ড ফেডাৰেচন, বি ডব্লিউ এফে এই সিদ্ধান্ত সদৰি কৰে। ২০০৯ চনত হায়দৰাবাদত ভাৰতে অন্তিমবাৰৰ বাবে এই আগশাৰীৰ প্ৰতিযোগিতাখনৰ আয়োজন কৰিছিল। অহা বছৰ ৪টা বছৰৰ বিৰতিৰ অন্তত এছিয়াত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। ই ক্ৰীড়াৰ উন্নয়নৰ ক্ষেত্ৰত মহাদেশখনত ভাৰতে লৈ থকা কেন্দ্ৰীয় ভূমিকা পুনৰ প্ৰতিপন্ন কৰিব। ২০১৮ চনত চীনে এছিয়াৰ অন্তিমখন ৰাষ্ট্ৰ হিচাপে নানজিং চহৰত প্ৰতিযোগিতাখনৰ আয়োজন কৰিছিল।

প্ৰতিযোগিতাখনত এইপৰ্যন্ত তাৰকা খেলুৱৈ পি ভি সিন্ধুৱে এটা সোণ, দুটা ৰূপ আৰু দুটা ব্ৰঞ্জসহ মুঠ ৫টা পদক দখল কৰি দেশৰ আটাইতকৈ সফল খেলুৱৈ হিচাপে পৰিগণিত হৈছে। কোপেনহেগেনত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ সংস্কৰণত ভাৰতৰ প্ৰকাশ পাডুকনে ব্ৰঞ্জৰ পদক দখল কৰিছিল। ইয়াৰ পাছতে লণ্ডনত ২০১১ চনত জালা গুট্টা আৰু অশ্বিনী পোনাপ্পাই দেশলৈ সন্মান কঢ়িয়াই আনিছিল। প্ৰতিযোগিতাখনৰ শেহতীয়া সংস্কৰণত পুৰুষৰ ডাবলছত স্বাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ চেট্টীয়ে ব্ৰঞ্জৰ পদক লাভ কৰিছিল। আগশাৰীৰ খেলুৱৈ এইচ এচ প্ৰণয়ে ২০২৩ চনত প্ৰতিযোগিতাখনত পুৰুষৰ ছিংগলছত ব্ৰঞ্জৰ পদক লাভ কৰিছিল।

০০০০০০০

সমাপ্ত